হে মানৱজাতি! তোমালোকে ছালাম প্ৰচাৰ কৰা, মানুহক আহাৰ কৰোৱা আৰু আত্মীয়তাৰ বন্ধন অটুট ৰখা। ৰাতিত যেতিয়া সকলোৱে টোপনিত যায় তেতিয়া উঠি চালাত আদায় কৰা। (এনেকুৱা কৰিলে) সহজে জান্নাতত প্ৰৱেশ কৰিব পাৰিবা।

আব্দুল্লাহ বিন ছালাম ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ নবী চাল্লাল্লাহু আলাইহি অছাল্লাম যেতিয়া মদীনালৈ আহিল, তেতিয়া মানুহে তেখেতৰ ফালে ঢাপলি মেলিলে। তেওঁলোকে কৈ আছিলঃ আল্লাহৰ ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লাম আহিছে, আল্লাহৰ ৰাছুল আহিছে, আল্লাহৰ ৰাছুল আহিছে, তিনিবাৰ। ময়ো দেখিবলৈ মানুহৰ সৈতে তাত গৈ উপস্থিত হ'লোঁ। যেতিয়া মই তেখেতৰ মুখমণ্ডল ভালকৈ চালোঁ, তেতিয়া মই নিশ্চিত হ'লোঁ যে, এইটো কোনো মিছলীয়াৰ মুখমণ্ডল হ'ব নোৱাৰে। সেই সময়ত তেখেতৰ
পৰা মই প্ৰথমে যিটো কথা শুনিছিলোঁ, সেয়া আছিল এইটোঃ "হে মানৱজাতি! তোমালোকে
ছালাম প্ৰচাৰ কৰা, মানুহক আহাৰ কৰোৱা আৰু আত্মীয়তাৰ বন্ধন অটুট ৰখা। ৰাতিত যেতিয়া সকলোৱে টোপনিত যায় তেতিয়া উঠি চালাত আদায় কৰা। (এনেকুৱা কৰিলে) সহজে জান্নাতত
প্ৰৱেশ কৰিব পাৰিবা।"
[ছহীহ] [(তিৰমিজী, ইবনে মাজাহ, আহমদ)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লাম যেতিয়া মদীনালৈ আগমন কৰিলে, তেখেতক দেখি মানুহে তেখেতৰ ফালে দৌৰি আহিল, তাৰে মাজৰ এজন আছিল আব্দুল্লাহ বিন ছালাম। তেওঁ আছিল এজন ইয়াহুদী পণ্ডিত। তেওঁ যেতিয়া তেখেতক দেখিছিল তেতিয়া তেওঁ নিশ্চিত হৈছিল যে, তেখেতৰ মুখমণ্ডল কোনো মিছলীয়াৰ মুখমণ্ডল নহয়। কাৰণ তেখেতৰ মুখমণ্ডলৰ পৰা জ্যোতি, সৌন্দৰ্য্য আৰু সততা প্ৰকাশ পাইছিল। তেওঁ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা সৰ্বপ্ৰথম যিটো কথা শুনিছিল, য'ত তেখেতে মানুহক এনেকুৱা কাম কৰিবলৈ উৎসাহিত কৰিছিল, যিবোৰ কাম জান্নাতত প্ৰৱেশৰ কাৰণ হ'ব। সেয়া হৈছেঃ প্ৰথমঃ বেছি বেছি ছালাম প্ৰচাৰ কৰা। চিনাকি হওক বা অচিনাকি সকলোকে ছালাম দিয়া। দ্বিতীয়ঃ দান খয়ৰাতৰ জৰিয়তে হওক বা হাদিয়া অথবা নিমন্ত্ৰণ আদিৰ মাধ্যমতে হওক মানুহক আহাৰ কৰোৱা। তৃতীয়ঃ মাকৰ ফালৰ পৰাই হওক বা পিতৃৰ ফালৰ পৰা, সকলো প্ৰকাৰ আত্মীয়তাৰ সম্পৰ্ক অটুট ৰখা। চতুৰ্থঃ ৰাতিত মানুহে টোপনি যোৱাৰ পিছত, নফল চালাত বা তাহাজ্জুদ আদায় কৰা।

http://www.sunnah.global/hadeeth/as/show/5520